# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

**নং ঃ ২৬৫/২০২১**

## বশিষ্ঠাশ্ৰম দেৱালয়ৰ সভাগৃহৰ পুনৰ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১৩ ছেপ্টেম্বৰ ঃ** মহানগৰীৰ ঐতিহাসিক বশিষ্ঠাশ্ৰম দেৱালয়ৰ আন্তঃগাঁথনি শক্তিশালীকৰণৰ পদক্ষেপৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি আশ্ৰমখনৰ সভাগৃহৰ পুনৰ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে। উল্লেখ্য যে বিশিষ্ট সমাজকৰ্মী অনুপম শৰ্মা আৰু প্ৰাগ নিউজৰ মুখ্য পৰিচালন সঞ্চালক ড° সঞ্জীৱ নাৰায়ণে এই সভাগৃহৰ পুনৰ নিৰ্মাণৰ দায়িত্ব গ্ৰহণ কৰিছে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে বশিষ্ঠ ভূতনাথ শ্মশানৰ কালীমন্দিৰ চৌহদত প্ৰাগ নিউজৰ মুখ্য পৰিচালন সঞ্চালক ড° সঞ্জীৱ নাৰায়ণৰ পৃষ্ঠপোষকতাত উন্নীত কৰা এটা সৰু পুখুৰীসহ উদ্যান এখনৰো আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে।

আধাৰশিলা স্থাপন উপলক্ষে উপস্থিত থকা ভক্তপ্ৰাণ ৰাইজক সম্বোধন কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে মঠ-মন্দিৰ, দেৱালয়সমূহে ধৰ্মীয় তথা ঐতিহাসিক দৃষ্টিকোণৰ পৰা বিশেষ গুৰুত্ব বহন কৰি আহিছে। এই মঠ-মন্দিৰ তথা দেৱালয়সমূহে আমাৰ সাংস্কৃতিক ঐতিহ্য বহন কৰি আহিছে। সেয়েহে ইয়াৰ সংৰক্ষণ, সংৰৰ্দ্ধন আৰু আন্তঃগাঁথনি শক্তিশালী কৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ।

মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বশিষ্ঠাশ্ৰম দেৱালয়ে ঐতিহাসিক তথা পৌৰাণিক তাৎপৰ্য বহন কৰি আহিছে। ৰাজ্য চৰকাৰে বশিষ্ঠাশ্ৰম দেৱালয়ক ধৰ্মীয় পৰ্যটনৰ এক উল্লেখযোগ্য স্থান হিচাপে গঢ়ি তোলাৰ বাবে ইতিমধ্যে পৰিকল্পনা যুগুত কৰিছে আৰু অচিৰেই এই দেৱালয়খনে এক নতুন ৰূপ লাভ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগুক পৰ্যটন আৰু লোকনিৰ্মাণ বিভাগক জড়িত কৰাই মাষ্টাৰপ্লেন কাৰ্যকৰী কৰাৰ দিশত প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰাৰ বাবেও নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে বিশিষ্ট সমাজকৰ্মী অনুপম শৰ্মা আৰু প্ৰাগ নিউজৰ মুখ্য পৰিচালন সঞ্চালক ড° সঞ্জীৱ নাৰায়ণে দেৱালখনৰ আন্তঃগাঁথনি উন্নীতকৰণৰ বাবে লোৱা পদক্ষেপৰ শলাগ লোৱাৰ লগতে বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে।

আজিৰ এই অনুষ্ঠানত বশিষ্ঠাশ্ৰম দেৱালয়ৰ মুখ্য দলৈ গিৰিন্দ্ৰ মোহন শৰ্মাইও বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগু, প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্ট প্ৰাইভেট লিমিটেডৰ অধ্যক্ষ তথা পৰিচালন সঞ্চালক ৰিণিকি ভূঞা শৰ্মা, বিশিষ্ট সমাজকৰ্মী অনুপম শৰ্মা আৰু প্ৰাগ নিউজৰ মুখ্য পৰিচালন সঞ্চালক ড° সঞ্জীৱ নাৰায়ণৰ উপৰি বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**বীঃগঃ / বঃভাঃ**
**১৩-০৯-২০২১**